# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। বিহালী, চামগুৰি, চিদলী, বঙাইগাঁও আৰু ঢলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ পুৱা সাত বজাৰ পৰা আৰম্ভ। ভোটগ্ৰহণ এতিয়ালৈকে শান্তিপূৰ্ণ।

২। মণিপুৰৰ জিৰিবামত নিৰাপত্তা বাহিনী আৰু উগ্ৰপন্থীৰ মাজত সোমবাৰে সংঘটিত সংঘৰ্ষৰ পাছত সন্ধানহীন হৈ থকা দুজন লোকৰ মৃতদেহ উদ্ধাৰ।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰহিলৈ পৰা আৰম্ভ হ'ব ৰাস মহোৎসৱ।

৪। গোলাঘাট আৰক্ষীৰ ৰঙাজান টোল গেটৰ সমীপত যোৱা নিশা এটা আই ই ডি জব্দ।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ছেঞ্চুৰীয়ানত।

০০০০০০০

ৰাজ্যৰ বঙাইগাঁও, চামগুৰি, বিহালী, চিদলী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ পুৱা সাত বজাৰ পৰা আৰম্ভ হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া বিয়লি ৫ বজালৈকে চলিব। ভোটগ্ৰহণৰ সময়ছোৱাত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে নিৰ্বাচন আয়োগে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ চামগুৰি সমষ্টিত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সময়ত ব্যাপক হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোৰ আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰতে সশস্ত্ৰ নিৰাপত্তাৰক্ষী নিযুক্ত কৰা হৈছে। আন চাৰিটা সমষ্টিৰ স্পৰ্শকাতৰ হিচাপে চিহ্নিত ভোটগ্ৰহণ কেন্দ্ৰসমূহতো সশস্ত্ৰ নিৰাপত্তা বাহিনী নিয়োগ কৰা হৈছে। ইতিমধ্যে ভোটগ্ৰহণ কেন্দ্ৰসমূহত ভোটদাতাৰ দীঘলীয়া শাৰী পৰিলক্ষিত হৈছে। কেউটা সমষ্টিতে ভোটগ্ৰহণ কেন্দ্ৰসমূহত পুৱা ৬ বজাৰ পৰাই ভোটদানৰ বাবে ভোটদাতাই শাৰী পতা দেখা গৈছে। বঙাইগাঁৱ সমষ্টিৰো ২৪৬টা ভোটগ্ৰহণ কেন্দ্ৰত আজি পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। সমষ্টিটোৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত থকা আমাৰ সংবাদদাতা তেজষ ত্ৰিপাঠী এক প্ৰতিবেদন—-

***-ভইচ-***

চিদলী সমষ্টিৰ ৩৩ টা ভোটগ্ৰহণ কেন্দ্ৰ স্পৰ্শকাতৰ কেন্দ্ৰ হিচাপে চিনাক্ত কৰা হৈছে। ইয়াৰে ৯টা ভোটগ্ৰহণ কেন্দ্ৰ কোকৰাঝাৰ জিলাৰ অন্তৰ্গত। সমষ্টিটোৰ দুটা ভোটগ্ৰহণ কেন্দ্ৰক আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰৰূপে চিহ্নিত কৰা হৈছে আৰু এই কেন্দ্ৰ দুটাৰ ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীসকলৰ আটায়েই মহিলা।

বঙাইগাঁও, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিত মুঠ এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। চিদলীত ২৭৩টা, চামগুৰিত ১৯৭টা, বিহালীত ১৫৪টা আৰু ধলাইত ২০৮টা কেন্দ্ৰত ভোটগ্ৰহণ প্ৰক্ৰিয়া চলি আছে। সমষ্টিকেইটাৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা

কৰিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিত ১১ গৰাকী, চিদলীত ৩ গৰাকী, বিহালীত ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিত ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। এই উপ-নিৰ্বাচনত ৯ লাখ ১২ হাজাৰৰো অধিকসংখ্যক ভোটদাতাই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এইসকলৰ মাজত পুৰুষ ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৫ হাজাৰ ১২৪ আৰু মহিলা ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৬ হাজাৰ ৮৮২ হোৱাৰ বিপৰীতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে।

০০০০০০০

মণিপুৰৰ জিৰিবামত সেনা আৰু উগ্ৰপন্থীৰ মাজত সোমবাৰে সংঘটিত সংঘৰ্ষৰ পাছত সন্ধানহীন হৈ থকা দুজন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। মণিপুৰ আৰক্ষীয়ে সংবাদ মাধ্যমৰ আগত জনোৱা মতে এতিয়াও তিনিটি শিশুসহ তিনিগৰাকী মহিলা সন্ধানহীন হৈ আছে। তেওঁলোকক বিচাৰি আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে। ইতিমধ্যে আইন-শৃংখলা পৰিস্থিতি অধিক অৱনতি ঘটনাৰ আশংকাত জিলা প্ৰশাসনে জিৰিবামত সান্ধ্য আইন জাৰি কৰিছে। আনহাতে, গুলীয়াগুলীত নিহতসকল গাঁৱৰ স্বেচ্ছাসেৱক বুলি কুকি-জো কাউন্সিলে দাবী কৰিছে। উল্লেখযোগ্য যে সোমবাৰে জিৰিবাম জিলাত নিৰাপত্তা বাহিনীৰে হোৱা সংঘৰ্ষত ১১ জন সন্দেহযুক্ত উগ্ৰপন্থী সদস্য নিহত হৈছিল। এই ঘটনাত দুজন চি আৰ পি এফ জোৱানো আহত হৈছিল।

০০০০০০০

নলবাৰীৰ হৰিমন্দিৰ প্ৰাংগণত পৰহিলৈৰ পৰা আৰম্ভ হ'বলগীয়া ৰাস মহোৎসৱ ২৭ নৱেম্বৰলৈ অনুষ্ঠিত হ'ব। সেই উপলক্ষে সমগ্ৰ নলবাৰী চহৰখন বিভিন্ন আলোকসজ্জাৰে সজাই-পৰাই তোলা হৈছে। এইবাৰ এই ৰাস মহোৎসৱত মৃণ্ময় মূৰ্তিৰ লগতে জীৱন্ত ৰাস আৰু পুতলা নাচৰ ৰাসো অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত ৰাজ্যিক কেবিনেট মন্ত্ৰী তথা নলবাৰী ৰাস উদযাপন সমিতিৰ সভাপতি জয়ন্ত মল্লবৰুৱাই এইদৰে কয়—

***ভইচ***

আনহাতে, শিৱসাগৰ নগৰৰ সমীপৰ ঢুলীয়া পাৰত পৰহিলৈ পৰা দুদিনীয়া কাৰ্যসূচীৰে আঞ্চলিক ভিত্তিত ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱ উদযাপনৰ বাবে সমিতিয়ে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। এই উপলক্ষে স্থানীয় ৰংগমঞ্চত ৰাসৰ অন্তিম আখৰাত স্থানীয় শিল্পী, কলা-কুশলীসকল ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। ইয়াৰ উপৰি নগৰখনৰ সমীপৰ বেতবাৰী, জয়সাগৰ, কালুগাঁও, জাঁজী, ফুলপানী ছিগা, শলগুৰি, আখৈফুটীয়া আদি আঞ্চলতো ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে ৰাইজে ৰাস উৎসৱৰ প্ৰস্তুতি চলাইছে। ইফালে মাজুলীত দুদিনীয়া কাৰ্যসূচীৰে কালি সন্ধিয়া উপস্থিত হোৱা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে মাজুলীৰ ৰাসৰ আখৰা পৰিদৰ্শন কৰে।

০০০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২০২৭ দুবছৰীয়া কাৰ্যকালৰ বাবে পাঁচ গৰাকী বিশিষ্ট সাহিত্যিকৰ নাম সভাপতি পদৰ নিৰ্বাচনৰ বাবে ঘোষণা কৰা হৈছে। কালি বিয়লি অসম সাহিত্য সভাৰ গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আয়োজিত এখন বৈঠকৰ সামৰণিত সভাৰ সভাপতি সূৰ্যকান্ত হাজৰিকাই সভাপতি পদৰ বাবে উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে চূড়ান্ত কৰা এই পাঁচজনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। তেওঁলোক হৈছে – অসম সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা সাহিত্যিক বসন্ত কুমাৰ গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন অধ্যাপক, সাহিত্যিক ড° গোবিন্দ প্ৰসাদ শৰ্মা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া

বিভাগৰ অধ্যাপক, গৱেষক ড° উপেন ৰাভা হাকাচাম, প্ৰথিতযশা ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, সাহিত্যিক ড° ভীমকান্ত বৰুৱা।

অসম সাহিত্য সভাৰ পৰৱৰ্তী কাৰ্যকালৰ বাবে উপ-সভাপতি পদত ড০ বিপিন চন্দ্ৰ কলিতা, পদুম ৰাজখোৱা আৰু চহিৰ ভূঞা প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। প্ৰধান সম্পাদকৰ পদত অজিৎ প্ৰসাদ শৰ্মা, দেৱজিৎ বৰা আৰু সঞ্জীৱ শৰ্মাই প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ লামডিং সংমণ্ডলৰ অধীনৰ দিহাকো আৰু মুপা অংশত ৰে'লপথৰ মেৰামতিৰ বাবে আজি ১৫৬১৭ নম্বৰ গুৱাহাটী- দুৰ্লভচেৰা, ১৫৬১৮ নম্বৰ দুৰ্লভচেৰা-গুৱাহাটী আৰু গুৱাহাটী আৰু বদৰপুৰৰ মাজত চলাচল কৰা ১৫৮৭৮ আৰু ১৫৮৮৮ ৰে'লগাড়ী কেইখনৰ যাত্ৰা বাতিল কৰা হৈছে। ইয়াৰ

উপৰি কাৰিকৰী কাৰণত আজি, কাইলৈ আৰু পৰহিলৈ গুৱাহাটী আৰু নিউ জলপাইগুৰিৰ মাজত চলাচল কৰা বিশেষ ৰে'লগাড়ী দুখনৰ যাত্ৰাও বাতিল কৰা হৈছে বুলি ৰে'ল বিভাগৰ এখন বিজ্ঞপ্তিত উল্লেখ কৰা হৈছে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্ট্জ, এফ এম ৱেগুৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্ট্জৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

আৰক্ষীয়ে গোলাঘাটৰ ৰঙাজান টোল গেটৰ সমীপত যোৱা নিশা এটা আই ই ডি জব্দ কৰে। চৰাইদেউ আৰু গোলাঘাট আৰক্ষীয়ে যুটীয়াভাৱে অভিযান চলাই ডিমাপুৰৰ পৰা গোলাঘাটৰ দিশে আনি থকা এই আই ই ডিটো জব্দ কৰে আৰু আদিবাসী উগ্ৰপন্থী সংগঠন আপলাৰ দুটা সদস্যক গ্ৰেপ্তাৰ কৰে। ধৃত উগ্ৰপন্থী দুটাক অজয় শ্যাম আৰু টিকেন কুৰ্মী বুলি চিনাক্ত কৰা হৈছে। এই সন্দৰ্ভত নিশা গোলাঘাট আৰক্ষীৰ এটা বৃহৎ দলে আপলা সদস্য টিকেন কুৰ্মীৰ মেৰাপানীৰ মিলনপুৰস্থিত বাসগৃহত অভিযান চলাই এটা ছিংগল বেৰেলৰ ৰাইফল উদ্ধাৰ কৰে।

০০০০০০০

দৰং জিলাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত উচ্চ শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নতুন শিক্ষানীতি আৰু ছাত্ৰ-ছাত্ৰীৰ উত্তৰণৰ পথ শীৰ্ষক বিশেষ আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। বিদ্যালয়খনৰ মহাৰজত জয়ন্তী উদযাপনৰ সৈতে সংগতি ৰাখি শিক্ষাবিদ ড° শৰৎ চন্দ্ৰ শৰ্মাৰ সোঁৱৰণীত এই আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আলোচনাচক্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ননীগোপাল মহন্ত মুখ্য আলোচক হিচাপে উপস্থিত থকাৰ কথা। সমান্তৰালকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহযোগী

অধ্যাপক ড° কিশোৰী মোহন ভট্টাচাৰ্য আৰু শিক্ষা উদ্যোগী ধ্রুৱজ্যোতি দুৰৰাই আলোচক হিচাপে অংশ ল'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

0000000

## Newspaper Review

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অনুষ্ঠিত উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া সন্দৰ্ভত প্ৰস্তুত কৰা বাতৰি আজি প্ৰায়কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে 'Bye Polls in 5 Assembly seats of state today' শিৰোনামেৰে, **অসমীয়া প্ৰতিদিন** কাকতে 'কটকটীয়া কৰি তোলা হৈছে নিৰাপত্তা ব্যৱস্থাঃ আজি পাঁচ সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোট' **নিয়মীয়া বাৰ্তা** কাকতে 'আজি উপ-নিৰ্বাচনৰ ভোট, সাজু প্ৰশাসন' আৰু **অসমীয়া খবৰ** কাকতে 'আজি ৫ সমষ্টিত ভোটযুদ্ধ' শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতে উপ-নিৰ্বাচনৰ বাতৰিটোৰ সমান্তৰালকৈ বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাক গ্ৰেপ্তাৰৰ বাবে বৰ্তমানৰ চৰকাৰখনে ইণ্টাৰপ'লক অনুৰোধ কৰাৰ  বাতৰিটো গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম 'হাছিনাক গ্ৰেপ্তাৰৰ বাবে ইণ্টাৰপলক বাংলাদেশৰ অনুৰোধ ঃ দিল্লীত বাহৰ পতাত বাংলাদেশ ক্ষুব্ধ'। **দৈনিক জনমভূমি** কাকতে  অসম সাহিত্য সভাৰ সভাপতি পদৰ বাবে পাঁচগৰাকী প্ৰাৰ্থীৰ নাম প্ৰকাশ কৰা বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম 'অনুৰাধা শৰ্মা পূজাৰী, ভীমকান্ত বৰুৱাৰ অনিচ্ছা প্ৰকাশঃ সভাপতিৰ তালিকাক লৈ আকৌ বিতৰ্ক'। এই বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

মণিপুৰৰ জিৰিবাম জিলাত নিৰাপত্তাৰক্ষী আৰু উগ্ৰপন্থীৰ মাজত সংঘৰ্ষৰ পাছত দুজন লোকৰ মৃতদেহ উদ্ধাৰ তথা তিনিটি শিশুসহ তিনিগৰাকী মহিলা সন্ধানহীন হৈ থকাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন, অসমীয়া প্ৰতিদিন** আৰু **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে 'বিলুপ্তিৰ দিশে ১৫৩ বিধ চৰাই, ৯৪ বিধ সৰীসৃপ, ৬৫ বিধ মৎস্য, ৪৬ বিধ স্তন্যপ্ৰায়ী ঃ গভীৰ সংকটত ৰাজ্যৰ জৈৱ বৈচিত্ৰ' শিৰোনামেৰে ৰাজ্যৰ জৈৱ বৈচিত্ৰ বিপন্ন হোৱা সন্দৰ্ভত প্ৰস্তুত কৰা এটা বিতং বাতৰি এংকৰ হিচাপে প্ৰকাশ কৰিছে। কাকতখনে নিৰ্বাচনৰ প্ৰাক্ মুহূৰ্তত ধনৰ লেনদেন সন্দৰ্ভত বিহালীৰ কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ হোটেলত আৰক্ষীয়ে অভিযান চলোৱাৰ এটা বাতৰিও ফটোসহ বক্সত প্ৰকাশ কৰিছে। '25% Seats for poor students in private schools: At long last, Education Department to launch portal' শিৰোনামেৰে **দা ছেণ্টিনেল** কাকতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত ২৫ শতাংশ আসন দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সংৰক্ষণ কৰা বিষয়টোক লৈ প্ৰস্তুত কৰা এটা বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। আহক এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

0000000

নুমলীগড় তেল শোধনাগাৰৰ উদ্যোগত আজি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত পুৱা ১০ বজাৰ পৰা দিনৰ দুই বজালৈ এখন আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। এই আলোচনাচক্ৰৰ বিষয় হৈছে- ভৱিষ্যৎ অৰ্থনীতি চলোৱাৰ বাবে জৈৱ-ইন্ধন প্ৰত্যাহ্বান আৰু সুযোগ। আলোচনাচক্ৰখনত ভাৰতীয় তেল নিগমৰ কেইবাগকাৰীও উচ্চ পৰ্যায়ৰ বিষয়াই অংশ ল'ব।

0000000

কোকৰাঝাৰৰ বিছমুৰিৰ সমীপত কালি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত কোকৰাঝাৰৰ ৫ জন সংবাদকৰ্মী আহত হয়। বিছমুৰিৰ এটা অনুষ্ঠানত অংশ লৈ ঘৰলৈ উভতি আহি থকা অৱস্থাত তেওঁলোকৰ

বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই এখন দলঙৰ ৰেলিঙত খুন্দা মাৰে। আহতসকল হ'ল – সুৰজ বসুমতাৰী, ডেভিড বসুমতাৰী, প্ৰণৱ মুছাহাৰী, জিউ লাংছাৰ নাৰ্জাৰী আৰু অশোক কুমাৰ বৰ্মন। আহতসকলৰ ভিতৰত অশোক কুমাৰ বৰ্মনৰ অৱস্থা গুৰুতৰ বুলি জানিব পৰা হৈছে।

০০০০০০০

গোৱালপাৰা জিলাৰ খৰমুজা আৰক্ষী চকীৰ অন্তৰ্গত দাৰিদুৰিৰ চুতকীত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত দুজন যুৱক মৃত্যু হয়। মৃত্যু হোৱা যুৱক দুজন জয়পুৰ বজাৰৰ জাহাংগীৰ আলম আৰু ঝুনকাইপাৰাৰ মহম্মদ কাইফ বুলি চিনাক্ত কৰা হৈছে।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ছেঞ্চুৰীয়ানত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। বৰ্তমানলৈকে ভাৰত আৰু দক্ষিণ আফ্ৰিকা উভয়ে একোখনকৈ খেলত জয়লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত ৬১ ৰানত জয়লাভ কৰাৰ বিপৰীতে দক্ষিণ আফ্ৰিকাই দ্বিতীয়খন খেলত ৩ উইকেটত বিজয় সাব্যস্ত কৰিছে।

০০০০০০০

ভাৰত আজি বিহাৰৰ ৰাজগিড়ত অনুষ্ঠিত মহিলাৰ এছিয়ান ছেম্পিয়নছ হকী প্ৰতিযোগিতাত থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰি বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। প্ৰতিযোগিতাত আজি হ'বলগীয়া আন দুখন খেলৰ ভিতৰত দক্ষিণ কোৰিয়া দুপৰীয়া ১২ বাজি ১৫ মিনিটত মালয়েছিয়াৰ সন্মুখীন হ'ব। ইপিনে, চীন দিনৰ ২ বাজি ৩০ মিনিটত হ'বলগীয়া আন এখন খেলত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ভাৰতে কালি প্ৰতিযোগিতাৰ এখন ৰোমাঞ্চকৰ খেলত দক্ষিণ কোৰিয়াক ৩-২ গ'লত পৰাস্ত কৰে। খেলখনত ভাৰতৰ হৈ দীপিকা কুমাৰীয়ে দুটা আৰু সংগীতা কুমাৰীয়ে এটা গ'ল দিয়ে। কোৰিয়াৰ হৈ অধিয়ানক ছিয়ন উনবি আৰু লী য়ুৰিয়ে একোটাকৈ গ'ল দিয়ে।

০০০০০০০

**সমাপ্ত**